सत्यमेव जयते

GOVERNMENT OF ASSAM

**Jyotsna Medhi Patgiri, ACS**
Joint Secretary
Health & Family Welfare Department

Janata Bhawan
Dispur, Guwahati- 06
Assam

# শুভেচ্ছা বাৰ্তা

''বিদ্যা নাম নৰস্য ৰূপমধিকম্ প্ৰচ্ছন্নগুপ্তধনম্''

বিদ্যাৰ বলত ৰূপবান আৰু ধনবান হৈ ব্যক্তি এজন উজলি উঠে আৰু এই জ্ঞানজ্যোতিৰে আনৰো পথ আলোকিত কৰে। সুশিক্ষা আৰু প্ৰশিক্ষণেৰে এই জ্যোতি বিলোৱা ব্যক্তিজনেই গুৰু।

সমগ্ৰ শিক্ষা অভিযান আৰু কামৰূপ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সৌজন্যত, কামৰূপ জিলা শৈক্ষিক অন্তঃকৰণ গোটৰ দ্বাৰা 'গুৰুবাৰ্তা' নামৰ অনলাইন আলোচনী এখন প্ৰকাশ হ'ব বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো আৰু সংশ্লিষ্ট সকলোকে অভিনন্দন জনাইছোঁ।

জীৱনৰ আৰম্ভণিতে পিতৃ মাতৃ হৈছে আদিগুৰু। তেওঁলোকৰ হাতত ধৰি ঘৰৰ দুৱাৰডলি পাৰ হৈয়েই লগ পোৱা প্ৰথম ব্যক্তিজন হৈছে শিক্ষক। তেওঁ আমাক বাহিৰৰ পৃথিৱীখনৰ লগত চিনাকী কৰি দিয়ে; তেওঁ দেখুৱাই দিয়া ধৰণে আমি চাবলৈ শিকো, বুজিবলৈ আৰম্ভ কৰো। এনেদৰে শিঁকি বুজি আমি ডাঙৰ হওঁ, সমাজত প্ৰতিষ্ঠা লাভ কৰোঁ।

এটোপ এটোপ কৰি ডাৱৰৰ পানী পৰি ভৰি যোৱা বহল সাগৰৰ দৰে একোজন সুশিক্ষিত, সুপ্ৰতিষ্ঠিত ব্যক্তিৰে সমাজখন পৰিপূৰ্ণ হয়। এই সুশিক্ষা প্ৰদানৰ গুৰু দায়িত্ব বহন কৰে শিক্ষকসকলে। এইদৰেই বৈদিক গুৰুকুল পৰ্যায়ৰপৰা বৰ্তমানৰ ইন্টাৰনেটৰ শৈক্ষিক ব্যৱস্থালৈ শিক্ষা প্ৰদানৰ বিৱৰ্তনত শিক্ষক আৰু ছাত্ৰৰ উমৈহতীয়া প্ৰচেষ্টাই গতি আনি দিছে।

শিক্ষক ছাত্ৰ আৰু সকলো অংশীদাৰৰ মাজত শৈক্ষিক আলোচনাৰ বাতাবৰণ সৃষ্টিৰ উদ্দেশ্য আগত ৰাখি প্ৰকাশ হ'বলগীয়া আলোচনীখন সকলোৰে বাবে মানসিক উৎকৰ্ষ সাধনৰ এক আহিলা হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। বিদ্যায়তনিক আলোচনাৰ লগতে, ছাত্ৰ-শিক্ষকসকলৰ সৰ্বাংগীণ উত্তৰণৰ বাবে অপৰিহাৰ্য সকলো বিষয়ৰ পৰ্যালোচনা আৰু গৱেষণাৰে আলোচনীখন ভৱিষ্যতৰ পথ প্ৰদৰ্শক হ'ব বুলি আশা কৰিলো।

জয়তু গুৰুবাৰ্তা
তস্মৈশ্ৰীগুৰুৱে নমঃ।।

শুভেচ্ছাৰে,

(জ্যোৎস্না মেধি পাটগিৰি)
যুটীয়া সচিব, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ
অসম চৰকাৰ